আইনৰ অনুশাসন
(Rule of Law)

আইনৰ অনুশাসনে ব্রিটিছ জনসাধাৰণৰ অধিকাৰ তথা স্বতন্ত্রতাৰ নিশ্চয়তা প্রদান কৰে। সংবিধানিকভাৱে স্বীকৃত অধিকাৰসমূহ সুৰক্ষিত কৰে। জনতাৰ শতিকা জোৰা সংগ্রামৰ ফচল হিচাপে কৰা এই বিধানসমূহ দেশখনৰ সাধাৰণ আইন (Common Law) ৰ আধাৰত প্রতিষ্ঠিত। ন্যায়পালিকাৰ কাজত আইনৰ অনুশাসনে নীতি নির্দেশকৰূপে ক্রিয়া কৰি আহিছে যাৰ জৰিয়তে সমাজৰ সকলো লোকক ন্যায় প্রদান সম্ভৱপৰ হৈছে।

সাধাৰণ বাখ্যা (General Interpretation)ঃ আইনৰ অনুশাসনে আইনৰ প্রাধান্য (Supremancy of Law)ক সূচায় যাৰ অধীনত সকলো ব্যক্তি সমান আৰু এই আইন মানি চলিবলৈ বাধ্য। ই এইটো প্রতিপন্ন কৰে যে উপযুক্ত প্রমাণ নোহোৱাকৈ কোনো দোষী ব্যক্তিক শাস্তি প্রদান নোৱাৰি। ই লগতে এইটোও সূচায় যে কার্যপালিকা বিধানমণ্ডলৰ সংসদৰ অধীন আৰু বিধানমণ্ডলৰ মাধ্যমে ই জনসাধাৰণৰ ওচৰত দায়বদ্ধ।

ডাইচি (Dicey)ৰ বাখ্যাঃ ডাইচিয়ে আইনৰ অনুশাসন ধাৰণাটোৰ এক সুন্দৰ বাখ্যা আগবঢ়াইছে তেওঁ ইয়াক তিনি ধৰণে বাখ্যা কৰিছে। সেইবোৰ তলত উল্লেখ কৰা হ'ল—

প্রথম বাখ্যাত কোৱা হৈছে যে "*That no one is punishable or can be lawfully made to suffer in body or goods except for a distinct breach of Law established in ordinary court of the land...*" ই এইটো সূচায় যে ব্রিটেইনৰ কোনো ব্যক্তিক স্বেচ্ছাচাৰীভাৱে শাস্তি প্রদান কৰি নোৱাৰি। অভিযুক্ত ব্যক্তিৰ বিৰুদ্ধে থকা অভিযোগসমূহ আদালত প্রমাণিত হ'ব লাগিব। বিচাৰ কার্য মুক্ত আদালতত সম্পন্ন কৰিব লাগে আৰু শাস্তিৰ বিৰুদ্ধে থকা অভিযোগসমূহ আদালতত প্রমাণিত হ'ব লাগে অভিযুক্ত ব্যক্তিৰ নিজৰ ইচ্ছা অনুসৰি অধিবক্তা লোৱাৰ অধিকাৰ থাকে। বিচাৰ কার্য নিৰপেক্ষ আদালতে সম্পন্ন হ'ব লাগে আৰু শাস্তিৰ বিৰুদ্ধে অভিযুক্তজনৰ অন্য ক্ষমতা সম্পন্ন উচ্চ ন্যায়লয়ত আপীল কৰা অধিকাৰ থাকে। ই ব্যক্তিৰ জীৱন, স্বতন্ত্রতা আৰু সম্পত্তিৰ নিৰাপত্তা নিশ্চিত কৰে।

দ্বিতীয় বাখ্যাত কোৱা হৈছে এনেদৰে, "*Not only with us is no man above the Law (but what is a different thing) here every man, whatever be his rank or condition is in subject to the ordinary law of the realm and amendable to the jurisdiction of the ordinary tribunals*"। সাধাৰণ ভাষাত ই এইটো সূচায় যে সামাজিক আৰু চৰকাৰী মর্যাদা নির্বিশেষে সকলো নাগৰিক আইনৰ দৃষ্টিত সমান আৰু কোনো আইন উলংঘনৰ বাবে প্রত্যেক ব্যক্তিয়েই সাধাৰণ আদালতৰ বায় মানি চলিবলৈ বাধ্য। সেইকাৰণে চৰকাৰী বিষয়-ববীয়াসকলৰ বাবে ব্রিটেইনত কোনো ধৰণৰ পৃথক প্রশাসনীয় আদালতৰ ব্যৱস্থা নাই।

ডাইচিৰ 'আইনৰ অনুশাসন'ৰ তৃতীয় বাখ্যাটোত কোৱা হৈছে যে "*The General Priciples of the Constitution are, the result of private persons in particular cases brought before the Courts*"। ব্রিটেইনত জনগণৰ অধিকাৰসমূহ সংবিধান প্রদত্ত নহয়, ই ন্যায়ালয়ৰ সিদ্ধান্ত প্রদত্তহে।

ডাইচিয়ে আগবঢ়োৱা আইনৰ অনুশাসনৰ ধাৰণাৰ সমালোচনাঃ ডাইচিয়ে আগবঢ়োৱা আইনৰ শাসনৰ ধাৰণাটোৰ বিৰুদ্ধে যথেষ্ট সমালোচনা হৈছে। ইয়াৰে কিছুমান গুৰুত্বপূৰ্ণ সীমাবদ্ধতা উল্লেখ কৰা হ'ল—

(১) আইনৰ অনুশাসনৰ প্ৰথম বাখ্যাৰ সমালোচনা কৰি সমালোচকসকলে কৈছে যে সম্পূৰ্ণ স্ব-বিচাৰমূলক ক্ষমতা নথকাটো প্ৰকৃতপক্ষে অসম্ভৱ।

(২) চৰকাৰী কাৰ্যসূচীৰ সফল ৰূপায়ণৰ বাবে অসামৰিক বিষয়াসকলৰ কিছুমান স্ব-বিচাৰ ক্ষমতা থকাটো অত্যন্ত প্ৰয়োজনীয়। কাৰ্যপালিকাৰ দ্বাৰা সঘন প্ৰতিনিধিযুক্ত বিধান (Delegated Legislation)ৰ ব্যৱহাৰে চৰকাৰৰ হাতত অধিক স্ব-বিচাৰ ক্ষমতা অৰ্পণ কৰিছে।

(৩) আধুনিক জনকল্যাণকামী ৰাষ্ট্ৰৰ বিকাশে চৰকাৰৰ কাম-কাজৰ পৰিসৰ যথেষ্ট পৰিমাণে বৃদ্ধি কৰিছে। সম্প্ৰতি বহুকো বিভাগীয় গোচৰ নিৰ্দিষ্ট বিভাগটোত নিষ্পত্তি কৰা হয়। ই ব্ৰিটিছ ন্যায় পালিকাৰ পৰিসৰ সীমাবদ্ধ কৰিছে।

দ্বিতীয় বাখ্যা সন্দৰ্ভত সমালোচকসকলে নিজৰ যুক্তি আগবঢ়াইছে এনেদৰে—

- ৰজা বা ৰাণী আইনৰ উৰ্দ্ধত। কোনো আইনী আদালতে তেওঁলোকৰ বিচাৰ কৰিব নোৱাৰে।
- আইনৰ চকুত সকলো ব্ৰিটিছ নাগৰিক সমান বুলি কোৱাটো দৰাচলতে এক অতিকথা (Myth)হে। চৰকাৰী বিষয়াসকলক বহুতো বিশেষ উন্মুক্তি প্ৰদান কৰা হৈছে। উদাহৰণস্বৰূপে— ১৯৩৯ চনত সংশোধন কৰা 'সাৰ্বজনিক কৰ্তৃপক্ষৰ নিৰাপত্তা আইন ১৮৯৩ (Public Authority Protection Act-1893)ৰ কথা উল্লেখ কৰিব পাৰি। এই আইনে ঘোষণা কৰিছে যে চৰকাৰী বিষয়াই যদি সাৰ্বজনিক কৰ্তৃপক্ষৰ অপব্যৱহাৰ, অৱহেলা বা কৰ্তব্যৰ গাফিলতি কৰে তেনেহ'লে এনে কাৰ্য সংঘটিত কৰাৰ ৬মাহৰ ভিতৰতে বিচাৰ কৰিব লাগে, অন্যথা এনে কাৰ্যৰ ওপৰত বিচাৰ কৰিব নোৱাৰি।
- প্ৰশাসনিক বিষয়াসকলে এনে কিছুমান অধিকাৰ আৰু বিশেষ সা-সুযোগ (Right and Privileges) ভোগ কৰে যিবোৰ সাধাৰণ নাগৰিকে ভোগ কৰিব নোৱাৰে। উদাহৰণস্বৰূপে— তেওঁলোকক নিৰ্দিষ্ট বিভাগৰ সন্মতি অবিহনে গ্ৰেপ্তাৰ কৰিব নোৱাৰি। সাধাৰণ নাগৰিকক কিন্তু যিকোনো সময়তে গ্ৰেপ্তাৰ কৰিব পৰা ব্যৱস্থা আছে।
- কূটনৈতিক দূত আৰু ৰাষ্ট্ৰদূতসকলে কিছুমান পৰমাধিকাৰ আৰু নিষ্কৃতি লাভ কৰে।
- কোনো বিচাৰৰ ন্যায়িক সিদ্ধান্ত দিওঁতে ৰৈ যোৱা কোনো ভূল-ত্ৰুতিৰ বাবে ন্যায়াধীশসকলক কোনো ধৰণৰ শাস্তি প্ৰদান কৰিব নোৱাৰি।
- চুক্তি নথকাকৈ ক্ষতিপূৰণ (Tort) বিচাৰি বিক্ষোভ আদি প্ৰদৰ্শন কৰাৰ বাবে শ্ৰমিক সংঘ (Trade Union) সমূহক Trade Dispute Act, 1906ৰ অধীনত কোনো ধৰণৰ বিচাৰৰ সন্মুখীন কৰাব নোৱাৰি।

ডাইচিয়ে আগবঢ়োৱা তৃতীয়টো বাখ্যাৰ ওপৰত সমালোচকসকলে যুক্তি দৰ্শাই মত পোষণ কৰিছে যে ব্ৰিটিছ জনগণে কেৱল ন্যায়িক সিদ্ধান্তসমূহৰ পৰাই অধিকাৰসমূহ লাভ নকৰে। বিভিন্ন দেশাচাৰ আৰু লোকাচাৰ (Usage)ৰ পৰাও অধিকাৰসমূহ লাভ কৰা দেখা যায়।